**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-02-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***::::::::::::::::::::::::::::::::::::::::***

১। দেশৰ উৎপাদনশীল অৰ্থনীতিক শক্তিশালী ডিজিটেল আন্তঃগাথনি আৰু দক্ষ মানৰ সম্পদে দ্ৰুত গতিত আগবাঢ়ি যোৱাত যথোচিত সহযোগিতা আগবঢ়াইছে বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে মন্তব্য কৰিছে।

২। গুজৰাটৰ গান্ধীনগৰত কাইলৈ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সমবায় মন্ত্ৰীসকলৰ এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব।

৩। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে আজি অসম বিধান সভাৰ অধিবেশন আৰম্ভ হয়।

৪। সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দল আজি সন্ধিয়া অসমত উপস্থিত হৈছে। ***আৰু***

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ চিৰ এখন খেলত আজি ইংলেণ্ডে - ইটালীক ২৪ ৰানত পৰাস্ত কৰে।

ooooo

কেন্দ্ৰীয় ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে দেশৰ উৎপাদনশীল অৰ্থনীতিক শক্তিশালী ডিজিটেল আন্তঃগাথনি আৰু দক্ষ মানৰ সম্পদে দ্ৰুত গতিত আগবাঢ়ি যোৱাত যথোচিত সহযোগিতা আগবঢ়াইছে।

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে পৰা আৰম্ভ হোৱা  কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন ২০২৬ৰ আনুষ্ঠানিক ছেটেলাইট শিতানৰ অনুষ্ঠানত শ্ৰীবৈষ্ণৱে এইদৰে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে দেশৰ বিকাশৰ বিভিন্ন খণ্ডত  কৃত্ৰিম বুদ্ধিমত্তাৰ ৰূপান্তৰমুখী প্ৰভাৱৰ ওপৰতো আলোকপাত কৰে। দেশৰ প্ৰায় ৯০ শতাংশ অঞ্চল 5G ৰ আওতালৈ অহা বুলি উল্লেখ কৰি এই পদক্ষেপৰ জৰিয়তে নাগৰিকসকলক ডিজিটেল ক্ষেত্ৰত আগবঢ়াই নিয়াৰ প্ৰচেষ্টা চলোৱা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে লগতে কয়। কৃত্ৰিম বুদ্ধিমত্তাৰ বৃহত্তৰ প্ৰায়োগিক ক্ষেত্ৰৰ বিষয়ে আঙুলিয়াই দি শ্ৰীবৈষ্ণৱে কৃষি, বতৰৰ পূৰ্বানুমান, জলবায়ু নিয়ন্ত্ৰণ, নতুন উপাদানৰ অন্বেষণ আৰু উৎপাদনকে ধৰি বিভিন্ন খণ্ডত কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগৰ প্ৰচুৰ সম্ভাৱনাৰ বিষয়েও উনুকিয়াই দিয়ে।

কেন্দ্ৰীয় ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি ৰাজ্য মন্ত্ৰী জিতিন প্ৰসাদাই ভাৰত মণ্ডপমত ৫ দিনীয়াকৈ কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন ২০২৬ আয়োজন কৰিব পৰাটো অত্যন্ত গৌৰৱৰ বিষয় বুলি প্ৰকাশ কৰে। আজি শিক্ষাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষক শিতানত অংশগ্ৰহণ কৰাৰ পাছতে মন্ত্ৰীগৰাকীয়ে কয় যে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰখনত ভাৰতে বৰ্তমান সময়ত নেতৃস্থানীয় ভূমিকা গ্ৰহণ কৰিবলৈ সমৰ্থ হৈছে।

এই সন্মিলনৰ **নিয়োগৰ সম্ভাৱনা আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ভৱিষ্যত** শীৰ্ষক অধিৱেশনত অংশ লৈ দেশৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা ভি অনন্থ নাগেশ্বৰনে কয়, যে ভাৰতে শিক্ষা, সংস্কাৰ আৰু জনসাধাৰণৰ মাজত দক্ষ নিয়োগ সৃষ্টিৰ জৰিয়তে বিশ্বক নেতৃত্ব দিব পাৰে।

উল্লেখযোগ্য যে ভাৰত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ শীৰ্ষ সন্মিলনৰ সমান্তৰালকৈ আয়োজন কৰা পাঁচদিনীয়া প্ৰদৰ্শনীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰিক প্ৰয়োগৰ নিদৰ্শন দাঙি ধৰিব। এই সন্মিলনলৈ ১০০ খনৰো অধিক দেশক আমন্ত্ৰণ জনোৱা হৈছে আৰু ২ লাখৰো অধিক ব্যক্তিয়ে ইয়াৰ বাবে নাম পঞ্জীয়ন কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে বলিভিয়া, ক্ৰ'ৱেছিয়া, এষ্টনিয়া, ফিনলেণ্ড, গ্ৰীচ, ছাৰ্বিয়া, শ্ল'ভাকিয়াকে ধৰি কেইবাখনো দেশৰ নেতাই এই সন্মিলনত অংশ গ্ৰহণ কৰিব। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান আৰু বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ জ্যেষ্ঠ বিষয়াসকলেও অনুষ্ঠানত অংশ ল'ব। ভাৰত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ শীৰ্ষ সন্মিলনৰ তিনিটা মূল স্তম্ভ হৈছে – জনসাধাৰণ, বিশ্ব আৰু বিকাশ।

কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আয়োজিত কৃত্ৰিম বুদ্ধিমত্তা বিষয়ক প্ৰদৰ্শনীত ৩০০ৰো অধিক নিৰ্বাচিত বিথীকাৰ লগতে পোনপটীয়া প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। ইয়াত ৬০০ৰো অধিক উচ্চ সম্ভাৱনাপূৰ্ণ ষ্টাৰ আপে অংশগ্ৰহণ কৰিব।

00000

কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে কাইলৈ গুজৰাটৰ গান্ধীনগৰত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সমবায় মন্ত্ৰীসকলৰ সৈতে হ'বলগীয়া এখন উচ্চ পৰ্যায়ৰ মন্থন বৈঠকত অধ্যক্ষতা কৰিব। সমবায় মন্ত্ৰালয়ে জানিবলৈ দিয়া অনুসৰি এই বৈঠকত মন্ত্ৰালয়ে গ্ৰহণ কৰা মূল পদক্ষেপসমূহৰ সামগ্ৰিক পৰ্যালোচনা, প্ৰগতিৰ খতিয়ান, ৰাজ্যসমূহৰ অভিজ্ঞতা আৰু কাৰ্যপন্থাৰ আদান-প্ৰদান আৰু ভৱিষ্যতৰ বাবে সমন্বিত ৰূপৰেখা প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰা হ'ব। ইয়াৰ লগতে বৈঠকত ২ লাখ নতুন বহুমুখী প্ৰাথমিক কৃষি ঋণ সমিতি, দুগ্ধ আৰু মীন সমবায় সমিতিসমূহৰ গঠনৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লোৱা হ'ব। উল্লেখযোগ্য যে তৃণমূল পৰ্যায়ত সমবায় সমূহক বিকাশ, নিয়োগৰ সুযোগ সৃষ্টি আৰু আত্মনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে এই মন্থন বৈঠকৰ আয়োজন কৰা হৈছে।

00000

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে আজি অসম বিধান সভাৰ অধিবেশন আৰম্ভ হয়। ৰাজ্যপাল শ্ৰীআচাৰ্যই নিজৰ ভাষণৰ আৰম্ভণিতে ভাগৱত গীতাৰ বাণী আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মানৱতাবাদৰ আদৰ্শৰ কথা উল্লেখ কৰে। তেওঁ লগতে অসমৰ অৰ্থনৈতিক যাত্ৰাপথৰ বিষয়ে আলোকপাত কৰে। ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ২০২৫-২৬ বিত্তীয় বৰ্ষত ৭ লাখ কোটি টকা অতিক্ৰম কৰিব বুলি ৰাজ্যপালগৰাকীয়ে আশা প্ৰকাশ কৰে।

বিত্তমন্ত্ৰী অজন্তা নেওগে বিত্ত বিভাগৰ দুখন ৰাজপত্ৰিত অধিসূচনাৰ লগতে ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে। তেওঁ লগতে ২০২৫-২৬ বৰ্ষৰ মঞ্জুৰিৰ বাবে পৰিপূৰক দাবী আৰু বিনিয়োজনসমূহ উত্থাপন কৰে।

উল্লেখযোগ্য যে চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনত কাইলৈ ২০২৬-২৭ বৰ্ষৰ অন্তৱৰ্তী লেখানুদান উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰি দিয়া হ'ব।

00000

সেনা বাহিনীৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে আজি অষ্ট্ৰেলিয়াৰ চেকেণ্ড ডিভিজনৰ ফোৰ্চেছ কমাণ্ড আৰু মুখ্য কাৰ্যালয় পৰিদৰ্শন কৰে। অষ্ট্ৰেলিয়া ভ্ৰমণৰত শ্ৰীদ্বিবেদীয়ে অষ্ট্ৰেলিয়াৰ সেনা বাহিনীৰ কাৰ্যবাহী কমাণ্ডাৰ ফোৰ্চেছ কমাণ্ড আৰু চেকেণ্ড ডিভিজন কমাণ্ডাৰৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকলানিত দুয়োখন

দেশৰ দ্বিপাক্ষিক প্ৰশিক্ষণ আৰু নতুন তথা উন্নত প্ৰযুক্তি সমূহৰ জৰিয়তে ন-ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে তিনিদিনীয়া ভ্ৰমণসূচীৰে নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দল আজি সন্ধিয়া অসমত উপস্থিত হৈছে। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত অহা ১২ জনীয়া দলটোক ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ লগতে কেইবাগৰাকীও বিষয়াই বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত আদৰণি জনায়। দলটোৱে কাইলৈ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ সৈতে আলোচনা মিলিত হ'ব আৰু বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে পৰহিলৈ বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে নিৰ্বাচনৰ বিভিন্ন বিষয় লৈ আলোচনা কৰিব। দলটোৱে ১৮ ফেব্ৰুৱাৰীত ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতেও মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব। সেইদিনা বিয়লি দলটোৱে এখন সংবাদমেল সম্বোধন কৰিব।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি বেংগালুৰুৰ প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা - DRDO ৰ গেছ টাৰ্বাইন গৱেষণা কেন্দ্ৰ ভ্ৰমণ কৰি বৰ্তমান ৰূপায়ন হৈ থকা থলুৱা সামৰিক গেছ টাৰ্বাইন ইঞ্জিন উন্নয়নৰ সৈতে জড়িত প্ৰকল্পসমূহৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰে। এই ভ্ৰমণৰ সময়ত মন্ত্ৰীগৰাকীক ভাৰতীয় উদ্যোগ, গৱেষণা প্ৰতিষ্ঠান আদিৰ সহযোগত ৰূপায়ন হৈ থকা বিভিন্ন প্ৰকল্পৰ লগতে সশস্ত্ৰ বাহিনীসমূহলৈ আগবঢ়োৱা সমৰ্থন সন্দৰ্ভত অৱগত কৰোৱা হয়। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে বিভিন্ন থলুৱা ইঞ্জিন আৰু সেইসমূহৰ যন্ত্ৰপাতি আদিৰ এখন প্ৰদৰ্শনীও পৰিদৰ্শন কৰে।

বিজ্ঞানী আৰু বিষয়া সকলৰ সৈতে মত বিনিময় কৰি শ্ৰী সিঙে বিমান ইঞ্জিন প্ৰযুক্তিত আত্মনিৰ্ভৰশীলতাৰ প্ৰয়োজন সন্দৰ্ভত আলোকপাত কৰে। অপাৰেচন সিন্দুৰৰ বিষয়ে উল্লেখ কৰি থলুৱা যোগাযোগ ব্যৱস্থা, তদাৰকী সা - সৰঞ্জাম আৰু অস্ত্ৰ - শস্ত্ৰ আদি ব্যৱহাৰৰ জৰিয়তে প্ৰতিৰক্ষা সামৰ্থৰ ক্ষেত্ৰত প্ৰতিৰক্ষা বাহিনী সমূহে নিজৰ আত্মনিৰ্ভৰশীলতা বৃদ্ধিৰ পৰিচয় দিছে। তেওঁ লগতে বিমান ইঞ্জিন প্ৰযুক্তিত ভাৰতৰ সামৰ্থ শক্তিশালী কৰাৰ উদ্দেশ্যে ব্ৰিটেইনৰ সৈতে যুটীয়া অধ্যয়ন আৰু ৰাষ্ট্ৰীয় বিমান ইঞ্জিন অভিযানৰ অধীনত ফ্ৰান্সৰ সৈতে সহযোগিতাকে ধৰি বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সন্দৰ্ভতো আলোকপাত কৰে।

০০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ চিৰ এখন খেলত আজি ইংলেণ্ডে - ইটালীক ২৪ ৰানত পৰাস্ত কৰে। কোলকাতাৰ ইডেন গাৰ্ডেনছ অনুষ্ঠিত খেলখনত ইংলেণ্ডে বান্ধি দিয়া ২০৩ ৰানৰ বিজয় লক্ষ্য অনুসৰণ কৰি ইটালীৰ দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৭৮ ৰান কৰে। নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ দিৰ এখন খেলত আফগানিস্তানে - সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰক ৫ উইকেটত পৰাস্ত কৰে। শ্ৰীলংকাৰ পাল্লিকেলে ক্ৰিকেট ষ্টেডিয়ামত কিছুসময়ৰ পূৰ্বে গ্ৰুপ বিৰ এখন খেলত শ্ৰীলংকা-অষ্ট্ৰেলিয়াৰ বিপক্ষে অৱতীৰ্ণ হৈছে। টছত জিকি শ্ৰীলংকাই ফিল্ডিঙৰ সিদ্ধান্ত লৈছে।

ooooo

ভাৰত আৰু গ্ৰীচৰ মাজত উভয় দেশৰ নৌ বাহিনীৰ সম্পৰ্ক আৰু যুটীয়া অনুশীলনৰ লগতে প্ৰশিক্ষণ বিনিময় ব্যৱস্থা অধিক শক্তিশালী কৰাৰ জৰিয়তে দ্বিপাক্ষিক সামুদ্ৰিক সহযোগিতা বৃদ্ধি কৰা সন্দৰ্ভত আজি বিশেষ আলোচনা অনুষ্ঠিত হয়। গ্ৰীক নৌসেনাৰ মুৰব্বী, জেনেৰেল ষ্টাফ ভাইচ এডমিৰেল ডিমিত্ৰিঅচ এলেফথেৰিঅ'চ কটাৰচে আজি নতুন দিল্লীত নৌসেনাৰ মুৰব্বী এডমিৰেল দীনেশ কে ত্ৰিপাঠীক সাক্ষাৎ কৰে। নৌসেনাৰ মুখপাত্ৰই সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰা অনুসৰি, দুয়োগৰাকী নেতাই সামুদ্ৰিক নিৰাপত্তা আৰু বৃত্তিগত সহযোগিতা বৃদ্ধিৰ হকে নিজৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা সোঁৱৰে। ইয়াৰ পূৰ্বে, ৰাষ্ট্ৰীয় ৰাজধানীত উপস্থিত হোৱাৰ পিছত জেনেৰেল কটাৰচক বিশেষ আদৰণি জনোৱা হয়।

OOOOO

ঃঃ সমাপ্ত ঃঃ